NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-05-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত আছে।

২। নিৰ্বাচন আয়োগে আজি লোকসভা নিৰ্বাচনৰ পঞ্চম আৰু ষষ্ঠ পৰ্যায়ৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলায়।

৩। নাগৰিকত্ব সংশোধনী নিয়ম ২০২৪ৰ অধীসূচনা জাৰি কৰাৰ পাছত প্ৰথমলানি নাগৰিকত্ব প্ৰমাণপত্ৰ প্ৰদান কৰা হৈছে।

৪। দিল্লীৰ এখন আদালতে আবকাৰী নীতি কেলেংকাৰী সম্পৰ্কীয় গোচৰত দিল্লীৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনিষ ছিছ'দিয়াৰ ন্যায়িক জিম্মাৰ ম্যাদ ৩০ মে'লৈ বৃদ্ধি কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত গুৱাহাটীত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ আৰু পাঞ্জাব কিংছ মুখামুখি হ'ব।

০০০০০০০০

দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত আছে। পঞ্চম পৰ্যায়ত ২০ মে'ত ৪৯টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ২৫ মে'ত ষষ্ঠ পৰ্যায়ত ৫৭টা আৰু ১ জুনত সপ্তম পৰ্যায়ত ৫৭টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ নাছিক জিলাৰ দিন্দ'ৰীত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। তেওঁ কয় যে, কোভিড মহামাৰীৰ সময়ত ভাৰতে যিদৰে কাম কৰিছিল সমগ্ৰ বিশ্বই তাক প্ৰশংসা কৰিছিল। শ্ৰী মোদীয়ে কয় যে, অঞ্চলটোৰ জনসাধাৰণৰ বাবে স্বাস্থ্যসেৱা সুচল কৰি তোলাৰ উদ্দেশ্যে নাছিকৰ বিভিন্ন জিলাত ছশতাধিক আয়ুষ্ম আৰোগ্য মন্দিৰ আৰু ভালে সংখ্যক জন ঔষধী কেন্দ্ৰ স্থাপন কৰা হৈছিল। এন ডি এ চৰকাৰ কৃষক, যুৱ প্ৰজন্ম, মহিলা আৰু নিপীড়ীতসকলৰ কল্যাণৰ প্ৰতি বদ্ধপৰিকৰ বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। অঞ্চলটোৰ পিঁয়াজ খেতিয়কসকলক সম্বোধন কৰি শ্ৰী মোদীয়ে কয় যে, বিগত ১০ বছৰত পিঁয়াজৰ ৰপ্তানিত ৩৫ শতাংশ বৃদ্ধি পাইছে। চৰকাৰে পিঁয়াজৰ ৰপ্তানিৰ ওপৰত আৰোপিত নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিছে বুলিও তেওঁ উল্লেখ কৰে।

একেদৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে  পশ্চিমবংগৰ হুগলীত এখন নিৰ্বাচনী সভাত অংশ লৈ কয় যে, বিজেপি চৰকাৰ পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত ঘূৰাই আনিবলৈ বদ্ধপৰিকৰ। তেওঁ

কয় যে, পাকিস্তান অধিকৃত জন্মি-কাশ্মীৰৰ জনসাধাৰণে পাকিস্তানৰ পৰা স্বাধীনতা বিচাৰি প্ৰতিবাদ সাব্যস্ত কৰি আছে।

কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰলৈ আগমন ঘটা পৰ্যটকৰ বৰ্ধিত সংখ্যা সন্দৰ্ভত গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, দুই কোটি পৰ্যটকে কাশ্মীৰ ভ্ৰমণ কৰিছে আৰু নতুন অভলিষ সৃষ্টি কৰিছে। সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰ সন্দৰ্ভত মতপ্ৰকাশ কৰি শ্ৰী শ্বাহে কয় যে, মমতা বেনাৰ্জী আৰু কংগ্ৰেছে ইয়াৰ বিৰোধীতা কৰিছিল যদিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনুচ্ছেদটো প্ৰত্যাহাৰ কৰি কাশ্মীৰক ভাৰতৰ সৈতে একীকৃত কৰাত আগভাগ লৈছে। শ্ৰী শ্বাদে কয় যে, পশ্চিমবংগৰ শাসকীয় তৃণমূল কংগ্ৰেছে বাংলাদেশী অনুপ্ৰৱেশকাৰীসকলক ভোট বেংক হিচাপে ব্যৱহাৰ কৰি আহিছে। নাগৰিকত্ব সংশোধনী আইনৰ অধীনত হিন্দু, বৌদ্ধ, শিখ আৰু জৈন সম্প্ৰদায়ৰ লোকক নাগৰিকত্ব প্ৰদান কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

উত্তৰ প্ৰদেশত নিৰ্বাচনী প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতা আৰু তাৰকা প্ৰচাৰকসকলে ৰাজ্যখনৰ বিভিন্ন ঠাইত প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে আজি হানিৰপুৰ সমষ্টিত এটা সমাৰেশ সম্বোধন কৰে। তেওঁ কয় যে, পূৰ্বতে বহুজন সমাজ পাৰ্টী আৰু সমাজবাদী পাৰ্টীৰ চৰকাৰসমূহে দুৰ্নীতি আৰু মাফিয়া ৰাজত উদগনি জনাইছে আৰু অঞ্চলটো অবৈধ খননৰ বাবে কুখ্যাত আছিল কিন্তু বিজেপি চৰকাৰ ক্ষমতালৈ অহাৰ দিনৰে পৰা অঞ্চলটো দুৰ্নীতি আৰু আইন-শৃংখলা সমস্যাৰ পৰা মুক্ত হৈছে।

বিহাৰতে প্ৰচাৰ অভিযান পূৰ্ণ গতিত অব্যাহত আছে। এন ডি এ আৰু মহামিত্ৰজোঁটৰ নেতাসকলে দলীয় প্ৰাৰ্থীৰ হকে ভোটদাতাৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। পূব চাম্পাৰন জিলাৰ চিৰোনাত আজি এখন নিৰ্বাচনী সভাত ভাগ লৈ বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা তাৰকা প্ৰচাৰক জে পি নাড্ডাই কংগ্ৰেছে অন্ধ্ৰপ্ৰদেশ আৰু কৰ্ণাটকত ধৰ্মৰ ভিত্তত সংৰক্ষণ প্ৰদান কৰি বাবা চাহেব ভীমৰাও আম্বেদকাৰৰ ইচ্ছাৰ বিৰুদ্ধে কাম কৰা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ সংকল্প পূৰণৰ উদ্দেশ্যে তোষামোদ আৰু জাতি ভিত্তিক ৰাজনীতিৰ অৱসান ঘটাইছে।

কংগ্ৰেছ, আৰ জি ডি আৰু বিকাশ শীল ইনচান পাৰ্টীৰ নেতাসকলেও মহা মিত্ৰজোঁটৰ হৈ ঠায়ে ঠায়ে প্ৰচাৰ চলাই আছে। পাটনাত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কংগ্ৰেছৰ ৰাজ্যিক সভাপতি অখিলেশ প্ৰসাদ সিঙে বিজেপিয়ে সমাজত বিভাজন সৃষ্টি কৰিব খোজা বুলি অভিযোগ তোলে।

ওড়িশাত কংগ্ৰেছ, বিজেপি আৰু বিজেডিয়ে লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ পৰৱৰ্তী পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি বলাংগীৰত মটৰ চাইকেল সমদলত অংশগ্ৰহণ কৰে আৰু এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। শ্ৰী গান্ধীয়ে ৪ জুনত লোকসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছত আই এন ডি মিত্ৰজোঁটে কেন্দ্ৰত চৰকাৰ গঠন কৰিব বুলি আস্থা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদী পুনৰ ক্ষমতালৈ আহিলে দেশত কোনো সংবিধান নাথাকিব। শ্ৰী গান্ধীয়ে কয় যে, জাতিগত লোকপিয়ল অনুষ্ঠিত কৰা আৰু দেশৰ দুখীয়া লোকসকলৰ তালিকা প্ৰস্তুত কৰাটো আই এন ডি আই মিত্ৰজোঁট চৰকাৰৰ প্ৰথম সিদ্ধান্ত হ'ব যাতে এই লোকসকলক কৰ্মসংস্থাপন আৰু মাহিলি আয়ৰ দৰে সুবিধা প্ৰদান কৰিব পৰা যায়।

ইপিনে ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনায়কে আজি সুন্দৰগড় লোকসভা সমষ্টিৰ অধীনৰ ৰুৰকেল্লাৰ এখন নিৰ্বাচনী সভাত ভাগ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ চৰকাৰ একেৰাহে ষষ্ঠবাৰৰ বাবে ক্ষমতালৈ আহিলে জসাধাৰণক বিনামূলীয়া বিদ্যুৎ প্ৰদান কৰা হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি ওড়িশাৰ অস্কা লোকসভা সমষ্টিৰ অধীনৰ সোৰদা আৰু কন্ধমাল সংসদীয় সমষ্টিৰ অধীনৰ বৌধত নিৰ্বাচনী সভাত ভাষণ দিয়ে। একেদৰে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই ভূবনেশ্বৰত দলৰ মহিলা কৰ্মীসকলৰ এখন বৈঠকত ভাগ লয়। আনহাতে লোকসভাৰ অধ্যক্ষ তথা বিজেপিৰ জ্যেষ্ঠ নেতা ওম বিৰলাই বালাছোৰ সংসদীয় সমষ্টিত দলৰ হকে প্ৰচাৰ চলায়।

oooooooo

নিৰ্বাচন আয়োগে আজি লোকসভা নিৰ্বাচনৰ পঞ্চম আৰু ষষ্ঠ পৰ্যায়ৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলায়। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ আৰু নিৰ্বাচন আয়ুক্তদ্বয় জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুৱে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে পঞ্চম আৰু ষষ্ঠ পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ৪৯টা আৰু ৫৭টা সংসদীয় সমষ্টিত নিয়োজিত পৰ্যাৱেক্ষকসকলৰ সৈতে বৈঠকত মিলিত হয়।

oooooooo

নাগৰিকত্ব সংশোধনী নিয়ম ২০২৪ৰ অধীসূচনা জাৰি কৰাৰ পাছত প্ৰথমলানি নাগৰিকত্ব প্ৰমাণপত্ৰ প্ৰদান কৰা হৈছে। কেন্দ্ৰীয় গৃহ সচিব অজয় কুমাৰ ভাল্লাই আজি নতুন দিল্লীত ১৪ গৰাকী আবেদনকাৰীক নাগৰিকত্বৰ প্ৰমাণপত্ৰ প্ৰদান কৰে। শ্ৰীভাল্লাই আবেদনকাৰীসকলক অভিনন্দন জ্ঞাপন কৰি চলিত বছৰৰ যোৱা ১১ মাৰ্চত অধিসূচনা জাৰি কৰা নাগৰিকত্ব সংশোধনী নিয়মাৱলী সন্দৰ্ভত আলোকপাত কৰে। গৃহমন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে ডিজিটীয় হস্তাক্ষৰ যুক্ত প্ৰমাণ পত্ৰ ই-মেইলৰ মাধ্যমেৰে প্ৰেৰণ কৰি থকা হৈছে। এই নিয়মৰ অধীনত পাকিস্তান, বাংলাদেশ আৰু আফগানিস্তানৰ পৰা ভাৰতলৈ অহা হিন্দু, শিখ, জৈন, বৌদ্ধ, পাৰ্চি আৰু খ্ৰীষ্টান সম্প্ৰদায়ৰ লোকসকলৰ নাগৰিকত্বৰ আবেদন গ্ৰহণ কৰা হৈছিল।

oooooooo

বিজেপিয়ে আম আদমী পাৰ্টীৰ সাংসদ স্বাতি মালিৱালৰ সৈতে  দুৰ্ব্যৱহাৰৰ ঘটনা সন্দৰ্ভত দলটোৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ মৌনতাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত বিজেপি নেতা ছাজিয়া ইল্মিয়ে কয় যে, শ্ৰী কেজৰিৱালে তেওঁৰ বাসগৃহত হোৱা ঘটনাৰ আৰৰ প্ৰকৃত তথ্য জনসাধাৰণক অৱগত কৰোৱা উচিত। বিজেপি নেতাগৰাকীয়ে লগতে স্বাতি মালিয়াৰ সৈতে দুৰ্ব্যৱহাৰ কৰা বুলি অভিযোগ উঠা ব্যক্তিগত সহায়ক বিভৱ কুমাৰৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি শ্ৰী কেজৰিৱালক প্ৰশ্ন কৰে।

oooooooo

দিল্লীৰ এখন আদালতে আজি আবকাৰী নীতি কেলেংকাৰী সম্পৰ্কীয় গোচৰত দিল্লীৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনিষ ছিছ'দিয়াৰ ন্যায়িক জিম্মাৰ ম্যাদ ৩০ মে'লৈ বৃদ্ধি কৰে। চি বি আয়ে ছিছ'দিয়াক এজন অভিযুক্ত হিচাপে অন্তৰ্ভুক্ত কৰি এই গোচৰটো ৰুজু কৰিছিল।  ছিছ'দিয়াই ন্যায়িক জিম্মাৰ ম্যাদ সম্পূৰ্ণ হোৱাৰ পাছত ভিডিঅ'

কনফাৰেন্সিং ব্যৱস্থাৰে আজি আদালতৰ সন্মুখত হাজিৰ হয়। ন্যায়ালয়ে কালি আম আদমী পাৰ্টীৰ নেতাগৰাকীয়ে দাখিল কৰা জামিন আবেদন সন্দৰ্ভত ৰায় সুৰক্ষিত ৰাখিছিল।

০০০০০০০০

উচ্চতম ন্যায়ালয়ে নিউজ ক্লিকৰ প্ৰতিষ্ঠাপক প্ৰবীৰ পুৰকায়স্থক মুকলি কৰি দিবলৈ নিৰ্দেশ দিছে। ন্যায়াধীশ বি আৰ গাৱাই আৰু সন্দীপ মেহতাক লৈ গঠিত এখন বিচাৰপীঠে আজি গোচৰটো সংক্ৰান্তত ন্যায়িক জিম্মাত ৰখাৰ প্ৰতিলিপি দাখিল কৰিব নোৱাৰাৰ বাবে প্ৰতিষ্ঠাপক গৰাকীৰ গ্ৰেপ্তাৰ বৈধ নহয় বুলি মত প্ৰকাশ কৰে। অৱশ্যে ন্যায়ালয়ে প্ৰবীৰ পুৰকায়স্থৰ জামিনৰ বাবে চৰ্ত আৰোপ কৰিব। যোৱা বছৰ ৩ অক্টোবৰত নিউয়ৰ্ক টাইমছে চলোৱা অনুসন্ধান অনুসৰি চীনৰ স্বাৰ্থৰ হকে কাম কৰা এটা গোষ্ঠীয়ে নিউজ ক্লিকক বিত্ত যোগান ধৰা বুলি অভিযোগ উত্থাপিত হোৱাৰ কিছুদিনৰ পাছত বে-আইনী কাৰ্যকলাপ প্ৰতিৰোধী আইন, সন্ত্ৰাসবাদ প্ৰতিৰোধী আইনৰ অধীনত পুৰকায়স্থক গ্ৰেপ্তাৰ কৰা হৈছিল।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময় পাছতে গুৱাহাটীত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ আৰু পাঞ্জাব কিংছ মুখামুখি হ'ব। বৰ্তমানলৈকে ১৬ পইণ্ট অৰ্জন কৰা ৰাজস্থান ৰয়েলছে আজিৰ খেলখনত জয়লাভ কৰি প্লে অফ পৰ্যায়ত স্থান নিশ্চিত কৰাৰ চেষ্টা চলাব। উল্লেখযোগ্য যে পাঞ্জাব কিংছ ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

০০০০০০০০

সমাপ্ত